# ভাৰতৰ ৰাষ্ট্ৰপতিয়ে দ্য কিংডম অফ চৌদি আৰৱৰ ক্ৰাউন প্ৰিন্স আৰু প্ৰধানমন্ত্ৰীক আতিথ্য প্ৰদান কৰে

ছেপ্টেম্বৰ 11, 2023

ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি (11 ছেপ্টেম্বৰ, 2023) ৰাষ্ট্ৰপতি ভৱনত দ্য কিংডম অফ চৌদি আৰৱৰ ক্ৰাউন প্ৰিন্স আৰু প্ৰধানমন্ত্ৰী হিজ ৰয়েল হাইনেছ প্ৰিন্স মহম্মদ বিন ছালমান বিন আব্দুলজিজ আল চৌদক আদৰণি জনায়। তেওঁ তেখেতৰ সন্মানত ভোজ-ভাতৰ আয়োজনো কৰে।

ৰাষ্ট্ৰপতি ভৱনত ক্ৰাউন প্ৰিন্সক আদৰণি জনাই ৰাষ্ট্ৰপতিয়ে কয় যে চৌদি আৰব ভাৰতৰ অন্যতম গুৰুত্বপূৰ্ণ কৌশলগত অংশীদাৰ ভিতৰত এজন হয়। যোৱা কেইবছৰমানৰ পৰা ভাৰত আৰু চৌদি আৰৱৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক যথেষ্ট সুদৃঢ় হোৱাটো লক্ষ্য কৰি তেওঁ বহু আনন্দিত হৈছিল।

ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে আধুনিক বিশ্বত, ভাৰত-চৌদি আৰৱৰ অংশিদাৰিত্ব সাংস্কৃতিক অভিজ্ঞতা, অৰ্থনৈতিক সহযোগিতা আৰু শান্তিপূৰ্ণ আৰু বহনক্ষম বিশ্বৰ প্ৰতি ভাগ-বতৰা কৰা দায়বদ্ধতাই আমাক স্বাভাৱিক অংশীদাৰ কৰি তোলে।

ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ভাৰত-চৌদি আৰৱৰ অংশীদাৰিত্বৰ অৰ্থনৈতিক সমলো যোৱা কিছু বছৰত বৃদ্ধি পাইছে। তেওঁ লগতে কয় যে ভাৰতত কেইবাটাও ভিন্ন-ভিন্ন খণ্ডত চৌদি আৰৱৰ বিনিয়োগ বৃদ্ধিৰ যথেষ্ট সুযোগ আছে।

ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে চৌদি আৰৱে বৃহৎ সংখ্যক ভাৰতীয় প্ৰবাসীক আকোৱালি লৈছে, আৰু তেওঁলোকক আগুৱাই যাবলৈ সুযোগ প্ৰদান কৰিছে। তেওঁলোকৰ কঠোৰ পৰিশ্ৰম আৰু পেছাদাৰিত্বৰ জৰিয়তে, তেওঁলোকে চৌদি আৰৱৰ বৃদ্ধি আৰু সমৃদ্ধিত উল্লেখযোগ্য অৱদান আগবঢ়াইছে। তেওঁলোকক চোৱাচিতা কৰাৰ বাবে চৌদি আৰৱক ধন্যবাদ জনায়।

ৰাষ্ট্ৰপতিগৰাকীয়ে শান্তি আৰু সুস্থিৰতাৰ বাবে এক ইতিবাচক শক্তি হিচাপে চৌদি আৰৱৰ ভূমিকাক শলাগ লয়। তেওঁ আস্থা প্ৰকাশ কৰে যে ক্ৰাউন প্ৰিন্সৰ এই ভ্ৰমণ আৰু G20 শীৰ্ষ সন্মিলনত তেওঁৰ অংশগ্ৰহণে ভাৰত আৰু চৌদি আৰৱৰ মাজত বহুমুখী অংশীদাৰিত্ব আৰু অধিক শক্তিশালী কৰিব।

**নতুন দিল্লী**
**ছেপ্টেম্বৰ 11, 2023**